

# নগাঁও ছোৱালী কলেজৰ উদ্যোগত স্বাস্থ্য সজাগতা

'আমাৰ অসম'ৰ মহানগৰ বাৰ্তা, ৩ মাৰ্চ ঃ নগাঁও ছোৱালী কলেজৰ হীৰক জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি ভূগোল বিজ্ঞান বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত বৃহস্পতিবাৰে উজান হয়বৰগাঁও প্ৰাথমিক বিদ্যালয়ত স্বাস্থ্য বিষয়ক এখনি সজাগতা সভা অনুষ্ঠিত হয়। অনুষ্ঠানৰ মূল বিষয়বস্তু 'স্বাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা' শীৰ্ষক বিষয় সম্পৰ্কত সৰলীকৰণ কৰি মহাবিদ্যালয়খনৰ ভূগোল বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° দিব্যজ্যোতি শইকীয়া আৰু শিক্ষা বিভাগৰ সহকাৰী অধ্যাপিকা স্নিগ্ধা বৰদলৈয়ে সাৱলীলভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ মনোগ্ৰাহী হোৱাকৈ বক্তব্য আগবঢ়ায়। উজান হয়বৰগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সূৰ্য ডেকাই বিষয়টোৰ তাৎপৰ্য সম্পৰ্কে অভিমত দাঙি ধৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ প্ৰবক্তা ড° নাজনীন আখতাৰ, মানসজ্যোতি ভূঞা, ড° নীলোৎপল কলিতা, ইলোৱা হাজৰিকাই স্বাস্থ্য আৰু পৰিচ্ছন্নতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলৰ আগত বক্তব্য আগবঢ়ায়।

